# সোতৰ

## বাক্য প্ৰকৰণ

### ক। বাক্যৰ কথা

**১। বাক্য কি?** সংস্কৃত বাক্ শব্দৰ পৰা বাক্য শব্দৰ সৃষ্টি হৈছে। **বাক্** মানে মুখৰ কথা। মানুহে বাক্যৰে কথা কয়। মুখেৰে উচ্চাৰিত ধ্বনিময় সংকেতেৰে অৰ্থৱহ পদৰ সৃষ্টি হয়; তেনে এটা বা একাধিক পদ বা পদ সমষ্টিৰে বাক্য হয়। সেই বাক্যই কথা বা ভাষা। **বাক্যৰ গঠনকে, সেয়েহে, এক প্ৰকাৰে ভাষাৰ গঠন বুলি ক'ব পাৰি।**

বাক্যৰ গঠনত পদেই মূল সামগ্ৰী। এই পদ যেনেকৈ তেনেকৈ লগ লগালেই বাক্য পোৱা নাযায়। বাক্য হ'বলৈ হ'লে, (১) বাক্যৰ **আকাঙ্ক্ষা** পূৰ্ণ হ'ব লাগে; (২) পদবোৰ বাক্যত **প্ৰয়োগ হ'বৰ যোগ্য** হ'ব লাগে; আৰু, (৩) পদৰ লগত **পদৰ আসত্তিও** সুদৃঢ় আৰু সুস্পষ্ট হ'ব লাগে। **যোগ্যতা থকা আসত্তিযুক্ত পদে আকাঙ্ক্ষা পূৰ্ণ কৰিলেহে বাক্য পোৱা যায়।** সেই কাৰণে, বাক্যৰ কথা বুজিবলৈ **আকাঙ্ক্ষা, যোগ্যতা** আৰু **আসত্তিৰ** কথা পোন প্ৰথমে জানিব লাগে।

### খ। পদৰ আকাঙ্ক্ষা

**২। আকাঙ্ক্ষা** শব্দৰ সাধাৰণ অৰ্থ হেঁপাহ বা ইচ্ছা। বাক্যৰ গঠনত এই আকাঙ্ক্ষাই বাক্যৰ অপূৰ্ণতা গুচাই পূৰ্ণতা লাভ কৰাৰ ইচ্ছা বুজায়। বাক্যৰ এই অপূৰ্ণতা কিহৰ অপূৰ্ণতা? কিহে বাক্য সম্পূৰ্ণ কৰে সেই কথাও তোমালোকে জানিব লাগে। বাক্যৰ অপূৰ্ণতা গুচাই কিহে সম্পূৰ্ণ কৰে সেই কথা জানিবলৈ **বাক্যৰ, অৰ্থাৎ কথা কোৱাৰ সুৰ বা সুৰলহৰৰ জ্ঞান অপৰিহাৰ্য।**

**৩। সুৰ লহৰ।** আমি কথা কওঁতে কেৱল স্বৰ আৰু ব্যঞ্জন ধ্বনি, আৰু এই ধ্বনি বা ধ্বনি সমষ্টিৰে গঠিত শব্দ আৰু পদকেই উচ্চাৰণ নকৰোঁ। এইবোৰৰ লগতে কথা কোৱাৰ সুৰ বা সুৰ লহৰো এৰাব নোৱাৰাকৈ ওতপ্ৰোত ভাবে জড়িত হৈ থাকে। **সুৰ লহৰৰ অবিহনে বাক্য উচ্চাৰিত হ'বই নোৱাৰে বুলি মনত ৰাখিবাহঁক।**

সুৰলহৰ শব্দয় কথা কোৱাৰ লয় বুজায়। এই লয়ে পদসমষ্টিৰে নিৰ্মিত বাক্য, খণ্ডবাক্য, গৰ্ভবাক্য বা বাক্যাংশৰ সীমা নিৰ্ণয় কৰি দিয়ে। আমাৰ প্ৰচলিত ব্যাকৰণবোৰত কথাৰ লয় বিষয়টো সম্পূৰ্ণ উপেক্ষা কৰা হৈ আহিছে। প্ৰচলিত ব্যাকৰণৰ লিখকসকলৰ মতে সমাপিকা ক্ৰিয়া পদে বাক্য শেষ কৰে; অৰ্থাৎ সমাপিকা ক্ৰিয়াপদযুক্ত পদসমষ্টিয়েই বাক্য। পিচে, এই কথাটো শুদ্ধ নহয়। **কাৰণ, বাক্য ক'ত শেষ হ'ব সেইটো কথা কোৱাৰ লয় বা সুৰ লহৰেহে প্ৰধানতঃ নিৰ্ণয় কৰে।** তদুপৰি, কোনো এটা বাক্যয় সাধাৰণ বিবৃতি

Scanned with OKEN Scanner

বুজাইছে, নে অনুজ্ঞা বা আদেশ বুজাইছে, সুৰলহৰৰ পৰাহে জানিব পাৰি। সুৰলহৰৰ পৰাহে শ্ৰোতাৰ বাক্য শ্ৰৱণৰ আকাংক্ষা পূৰ্ণ হয়।

৪। কথা কওঁতে কেনেকৈ লয় লগাই কথা কোৱা হয় তোমালোকে নিজে কোৱা আৰু শুনা কথাৰ পৰা বুজিবলৈ চেষ্টা কৰাহঁক। সুৰ লহৰ বুজাবলৈ লিখিত ভাষাত দাঁৰি (।), প্ৰশ্নবোধক চিন (?), কোলন (ঃ), ছেমিকোলন (;), কমা (,), হাইফেন (-), ডেচ (—) আদি বিভিন্ন যতি চিহ্নৰ ব্যৱহাৰ হয়। এই যতিবোৰৰ কিছুমানক পূৰ্ণবাক্যৰ যতি বোলে; অৰ্থাৎ এইবোৰে বাক্য শেষ হোৱা বুজায়। কিছুমানক বাক্যাংশ, খণ্ডবাক্য, গৰ্ভবাক্য আদিৰ যতি, বা অপূৰ্ণ বাক্যৰ যতি বোলে। এই যতিবোৰে বাক্যৰ একোটা খণ্ডৰ মাজত অৰ্থৰ সঙ্গতি ৰাখি ক্ষণিক বিৰামৰ ইঙ্গিত দিয়ে; আৰু এনেকৈয়ে সুৰলহৰৰ বৈশিষ্ট্য দাঙি ধৰে। ইয়াৰ পৰা তোমালোকে বুজিলা যে, লিখিত ভাষাত ব্যৱহৃত এই যতি চিহ্নবোৰ উকা চিন মাথোন নহয়; ইহঁতৰ প্ৰয়োগত গভীৰ তাৎপৰ্য আছে। ইহঁতে কোৱা কথাত লালিত্য প্ৰদান কৰে। এক কথাত ক'বলৈ গ'লে এই যতিচিহ্নবোৰে ইঙ্গিত দিয়া সুৰ লহৰেহে বাক্যত প্ৰাণৰ সঞ্চাৰ কৰে।

উদাহৰণ স্বৰূপে মন কৰা ঃ

**মই এতিয়া নাযাওঁ।**

এইটো দাঁৰিৰে অন্ত পৰা পদসমষ্টি; ইয়াৰ সুৰলহৰ পূৰ্ণ বাক্যৰ সুৰলহৰ। এই সুৰ লহৰেৰে শুনিলে আমি বুজিম যে উক্ত পদ তিনিটাৰে বাক্যটো পূৰ্ণ হৈছে। এই বাক্যটোৰ সুৰলহৰ সলাই যদি কোৱা হয়,

**মই এতিয়া নাযাওঁ ..........**

(এই ......... চিনে অপূৰ্ণ বাক্যৰ সুৰলহৰ বুজাইছে।)

এই সুৰলহৰেৰে মাতিলে বুজা যাব যে এই বাক্যৰ বক্তাজনৰ আৰু কথা ক'বলৈ বাকী আছে, ক'বলগীয়া কথাৰ অন্ত পৰা নাই; পিচৰ কথাখিনি মনলৈ অহা নাই কাৰণে হয়তো অলপ ৰৈছে। বক্তাজনৰ কথা কোৱা যেনেকৈ শেষ হোৱা নাই, শ্ৰোতাৰো তেনেকৈয়ে শ্ৰৱণৰ আকাঙ্ক্ষা পূৰ্ণ হোৱা নাই। এতিয়া, সেইখিনি কথাকে যদি এনেদৰে কোৱা হয়,

**মই এতিয়া নাযাওঁ বুলি ভাবিছোঁ।**

এই বাক্যটো শুনি শ্ৰোতায় লগে লগে ভাবিব যে বক্তাৰ বক্তব্য শেষ হৈছে; গতিকে শ্ৰৱণৰ আকাঙ্ক্ষাও সিমানতে শেষ। এনেকৈয়ে, বাক্যৰ আকাঙ্ক্ষা প্ৰধানতঃ সুৰলহৰৰ দ্বাৰা পূৰ্ণ হয়।

৫। বিশিষ্ট সুৰলহৰেৰে মাতিলে কেতিয়াবা প্ৰসঙ্গক্ৰমে মাথোন **এটা পদেৰেই এটা পূৰ্ণ বাক্য হ'ব পাৰে।** যেনে,

**তাত সেইজন কোন?**

এইটো এটা প্ৰশ্নবোধক বাক্য ঃ প্ৰশ্নবোধক যতিচিহ্নৰ পৰা ধৰিব পাৰি। এই প্ৰশ্নৰ উত্তৰ হ'ব পাৰে,—

**মই।** — এই উত্তৰটোত মাত্ৰ এটা পদহে আছে। ইয়াৰ যতিচিহ্ন দাঁৰি এটা পূৰ্ণবাক্যৰ চিন; এতেকে এটা পদেৰেই বাক্যটো সম্পূৰ্ণ হৈছে বুলি বুজা যায়।

**ইয়াত এইজন মই** বুলি নক'লেও শ্ৰোতাই উত্তৰটো ভালদৰে জানে; শ্ৰোতাৰ শুনাৰ আৰু আকাংক্ষা নাথাকে।

ওপৰৰ আলোচনাৰ পৰা তোমালোকে বুজিলা যে, বাক্য সম্পূৰ্ণ কৰাৰ মুখ্য ভূমিকা বহন কৰে সুৰলহৰেহে। ইয়াৰ পৰা আৰু বুজিলা যে, সমাপিকা ক্ৰিয়াপদ যুক্ত পদসমষ্টি হ'লেই বাক্য সম্পূৰ্ণ নহ'বও পাৰে।

৬। কেতিয়াবা, একাধিক সমাপিকা ক্ৰিয়াপদযুক্ত পদসমষ্টিও মাত্ৰ এটা বাক্যৰ অন্তৰ্ভুক্ত হ'ব পাৰে। যেনে,

**তুমি সভাত উপস্থিত আছিলা নে নাই মই নাজানো কাৰণেহে বাৰে বাৰে সুধি আছোঁ।**

এই বাক্যত কম পক্ষেও সাতোটা স্বতন্ত্ৰ সম্পূৰ্ণ বাক্য হ'বৰ যোগ্য পদসমষ্টি আছে; সুকীয়া কৰ্তাপদ আৰু সুকীয়া সুকীয়া সমাপিকা ক্ৰিয়াপদো আছে। সেইবোৰ, যেনে,

(১) তুমি সভাত উপস্থিত আছিলা নে?

(২) তুমি সভাত উপস্থিত আছিলা নে নাই?

(৩) তুমি সভাত উপস্থিত আছিলা?

(৪) তুমি সভাত উপস্থিত আছিলা!

(৫) মই নাজানো।

(৬) মই নাজানো কাৰণেহে।— এইটোও কিবা প্ৰাসঙ্গিক উত্তৰ বুজোৱা বাক্য হ'ব পাৰে।

(৭) বাৰে বাৰে (মই) সুধি আছোঁ।

সুকীয়া সুকীয়া সুৰলহৰেৰে এই সাতোটা সম্পূৰ্ণবাক্য ক'ব পৰা যায়। তথাপি, বিশিষ্ট সুৰলহৰেৰে ক'লে এই সাতোটা পূৰ্ণ বাক্য লগ লাগি মাথোন এটাহে বাক্য বুজায়; আৰু তেতিয়াহে শ্ৰোতাৰো শ্ৰৱণৰ আকাংক্ষা পূৰ্ণ হয়।

৭। এইবাৰ, ড° বাণীকান্ত কাকতিৰ বৰগীত প্ৰবন্ধৰ পৰা লোৱা তলৰ বাক্যটো পঢ়ি চোৱা ঃ

**"মানৱ জীৱন দুষ্প্ৰাপ্য আৰু ক্ষণভঙুৰ মায়াময়; হৰি ভকতি মোহাচ্ছন্ন জীৱনসমুদ্ৰত ধ্ৰুৱতৰা,— এয়ে নানা ভাৱ আৰু ভাষাত শঙ্কৰদেৱৰ গীতবোৰৰ তাৎপৰ্য।"**

এই বাক্যটোত তিনিটা পূৰ্ণ বাক্য হ'বৰ যোগ্য পদসমষ্টি আছে। যেনে,

(১) **মানৱজীৱন ......... মায়াময়।**

(২) **হৰিভকিত ........... ধ্ৰুৱতৰা।**

(৩) **এয়ে নানা ভাৱ ............ তাৎপৰ্য।**

মূল বাক্যটোৰ এই তিনিওটা খণ্ড একোটাহঁত পূৰ্ণবাক্যৰূপে স্বীকৃত হ'ব পাৰে। তথাপি, যতি চিহ্নবোৰে বিশিষ্ট সুৰ লহৰৰ ইঙ্গিত দিয়া হেতু তিনিওটা খণ্ড মিলি মাত্ৰ এটা

Scanned with OKEN Scanner

পূৰ্ণ বাক্য ৰূপে গণ্য হৈছে। উক্ত দীঘল বাক্যটোত এটা কথা মন কৰিছানে? এই বাক্যটোত সমাপিকা বা অসমাপিকা এটাও ক্ৰিয়াপদ নাই।

৮। আকাঙ্ক্ষা পূৰণৰ কাৰণে কেতিয়াবা একোটা বাক্য অতি দীঘল হ'ব পাৰে। তেনে দীঘল বাক্য তোমালোকে কিতাপ পঢ়োঁতে পাই থাকা। এতিয়া এই ব্যাকৰণখনতো বহুতো দীঘল বাক্য তোমালোকে পঢ়ি আছা।

সংযোজক, বিয়োজক আদি বিভিন্ন অব্যয় পদ আৰু অসমাপিকা ক্ৰিয়া তথা কৃদন্ত পদ প্ৰয়োগ কৰি বাক্য দীঘলীয়া কৰি নি থাকিব পাৰি। তলৰ বাক্যটো পঢ়া ঃ

**মই চিঠিখন লিখি পোনেই ডাকঘৰলৈ গৈ ৰেজিষ্টাৰ কৰি আহিহে ভাত খাম।**

এই বাক্যটোত কোনো সংযোজক বা বিয়োজক অব্যয় নাই; কিন্তু **লিখি, গৈ, কৰি, আহিহে** আদি অসমাপিকা ক্ৰিয়াৰ যোগত বাক্যটো দীঘল হৈছে। কিন্তু, এইবোৰৰ প্ৰয়োগ নহ'লেও কেৱল সুৰলহৰৰ দ্বাৰা প্ৰকাশিত আকাংক্ষায় বাক্যাংশ, খণ্ডবাক্য আৰু গৰ্ভবাক্যৰ মাজত সংহতি সাধন কৰি বাক্য সম্পূৰ্ণ কৰিব পাৰে।

## গ। পদৰ যোগ্যতা

৯। পদৰ আকাংক্ষাৰ দৰেই পদৰ যোগ্যতাও পদসঙ্গতি আৰু পদসংহতিৰ এটা গুৰুত্বপূৰ্ণ আলোচ্য বিষয়। বাক্যত যিকোনো পদ যি কোনো পদৰ লগত বহিব নোৱাৰে। যোগ্যতা অনুসৰিহে বাক্যত পদৰ চয়ন আৰু উপস্থাপন হ'ব পাৰে। পদৰ যোগ্যতা নিৰ্ভৰ কৰে দুটা কথাৰ ওপৰত; যেনে ঃ

প্ৰথমতঃ **পদৰ অৰ্থ;** আৰু
দ্বিতীয়তঃ **পদৰ ৰূপ বা গঠন।**

১০। অৰ্থগত যোগ্যতা। বাক্যত ব্যৱহৃত পদৰ অৰ্থৰ সঙ্গতি বা মিল থাকিব লাগে। কেনেদৰে, মন কৰা ঃ

**আমি ভৰিৰে খোজ কাঢ়োঁ, আৰু হাতেৰে ভাত খাওঁ।**

এতিয়া, যদি কোৱা হয়, আমি **হাতেৰে** খোজ কাঢ়োঁ, **ভৰিৰে** ভাত খাওঁ, তেনেহ'লে পদৰ অৰ্থৰ বিসঙ্গতিৰ কাৰণে বাক্যটো ভুল হ'ব।

এনেকৈয়ে, আমি অসমীয়া মানুহে **ভাত খাওঁ**; কিন্তু **পানী পিওঁ**। অৱশ্যে **পানী খাওঁ** বুলিলেও **খাওঁ** ক্ৰিয়াৰ অৰ্থত কোনো বিসঙ্গতি দেখা নাযায়। আমি অসমীয়া মানুহে প্ৰায় সকলো খোৱা বস্তুকেতো খাওঁই, আনকি, **চৰলাঠি খাওঁ, গালিশপনি খাওঁ, উজুটিও খাওঁ।**

এতিয়া চোৱা ঃ **খাওঁ** আৰু **পিওঁ**— এই দুয়োটা ক্ৰিয়া পদেৰে পানী খোৱা কথা বুজাব পাৰি কাৰণেই ভাত খোৱাৰ ক্ষেত্ৰতো **আমি ভাত পিওঁ** বুলি ক'ব নোৱাৰোঁ। ভাত কৰ্মপদ; অৰ্থৰ লগত সঙ্গতি ৰক্ষা কৰি ক্ৰিয়া পদটো **পিওঁ** গুচাই **খাওঁ** কৰিলেহে বাক্যটো শুদ্ধ হ'ব।

ঠিক এনেদৰে, আমি যি কোনো বস্তু লগ কৰোঁ। যেনে,

Scanned with OKEN Scanner

**ভাতে আঞ্জাই লগ কৰোঁ;**
**গাখীৰে চেনিয়ে লগ কৰোঁ;**
**কাঠে বাঁহে লগ কৰি গাড়ীত আনো।**

কিন্তু, অসমীয়া মানুহে **মানুহক** লগ ধৰে।

সেইকাৰণেই **সঁজাতী দলে মুখ্যমন্ত্ৰীক লগ কৰিলে** বুলিলে বাক্যটো ভুল হ'ব; **লগ কৰিলে**-ৰ ঠাইৰ **লগ ধৰিলে** হ'লেহে শুদ্ধ হ'ব। তাৰ কাৰণ, মানুহৰ ক্ষেত্ৰত **লগ** শব্দৰ **কৰ্**-ধাতুৰ লগত প্ৰয়োগ নহয়, **ধৰ্**-ধাতুৰ লগতহে হয়। সেইদৰে,

**খেলুৱৈসকলক উষ্ম সম্বৰ্ধনা জনালে।** এই বাক্যটো ভুল ঃ **উষ্ম** শব্দ **সম্বৰ্ধনা** শব্দৰ লগত যুক্ত হ'ব নোৱাৰে। ইংৰাজী ভাষাত **warm reception** হ'ব পাৰে কাৰণেই অসমীয়াতো ইং. **warm** শব্দৰ **উষ্ম** বা **উষ্ণ অৰ্থ** খাপ নাখায়। অসমীয়াত **সাদৰ সম্বৰ্ধনা** বুলিলেহে অৰ্থৰ সঙ্গতি স্থাপিত হয়, খাপ খায় আৰু বাক্যটো শুদ্ধ হয়।

এনেদৰে, ইং. **warm clothes**-অৰ অসমীয়া **গৰম** বা **উমাল কানি কাপোৰ** হ'ব পাৰে; **সাদৰ কানি কাপোৰ** হ'ব নাৱাৰে। আনহাতে, তপত বা **কুহমীয়া** পানী হ'ব পাৰে; **উমালপানী** হ'ব নোৱাৰে। **উমাল** কানি কাপোৰকো **তপত কানি কাপোৰ** বুলিলে ভুল হয়।

অৰ্থৰ যোগ্যতাহীনতা বা বিসঙ্গতিৰ উদাহৰণ বহুত দিব পাৰি। যেনে ঃ

**"যোৱাবছৰৰ ১৫ লাখ টকাৰ আয়ৰ বিপৰীতে এইবাৰ কুৰি লাখ টকা পোৱা গৈছে।"**

এই বাক্যটো ভুল; ইংৰাজী **against** শব্দৰ **বিপৰীত** অৰ্থ ইয়াত নাখাটে; **আয়ৰ ঠাইত** হ'লেহে অসমীয়াত অৰ্থৰ সঙ্গতি স্থাপিত হয়।

সেইদৰে,

**"টাউন ক্লাবে মহাৰাণা ক্লাবৰ বিপৰীতে খেলিছিল"**—এই বাক্যটোও অসমীয়া মতে ভুল।

**টাউন ক্লাবে মহাৰাণা ক্লাবৰ লগত খেলিছিল হে**— অসমীয়া মতে শুদ্ধ।

**১১।** পদৰ যোগ্যতাই ভাষা জতুৱা কৰে। পদৰ যোগ্যতা নথকাৰ কাৰণে তলৰ কথাবোৰ ভুল হৈছে ঃ

| ভুল | শুদ্ধ |
|---|---|
| আঘাত হানে | আঘাত কৰে |
| সৈন্য মোতায়েন কৰে | সৈন্য নিয়োগ কৰে |
| বক্তব্য ৰাখে/থাকে | বক্তব্য দাঙি ধৰে/বক্তৃতা দিয়ে |
| নিমন্ত্ৰণ থাকিল | নিমন্ত্ৰণ জনালোঁ। |
| নিয়ম মাফিক | নিয়ম মতে বা নিয়ম অনুসৰি |

Scanned with OKEN Scanner

...তহঁতে নাযাৰ নেকি? ...নাযাও।
তেখেতসকলৰ দাবী।
তহঁতে নাযাব নেকি?

১৭। অসমীয়া ভাষাৰ উপশব্দবোৰো শব্দসাধনৰ প্ৰত্যয় বিশেষ। এতেকে এইবোৰৰ প্ৰয়োগৰ ভুল হ'লেও পদে বাক্যত ব্যৱহাৰ হোৱাৰ যোগ্যতা হেৰুৱায়। যেনে ঃ

| ভুল | শুদ্ধ |
|---|---|
| ৰজাটো বৰ প্ৰতাপী | ৰজাজন বৰ প্ৰতাপী। |
| ৰাণীজনী শুৱনী। | ৰাণীগৰাকী শুৱনী। |
| কিতাপটো/নৈটো/বিলটো | কিতাপখন/নৈখন/বিলখন |
| মাইকীটো/আপীটো | মাইকীজনী/আপীজনী, ইত্যাদি। |

১৮। কৃৎ আৰু তদ্ধিৎ প্ৰত্যয়বোৰো শব্দ সাধনৰে প্ৰত্যয়। এই প্ৰত্যয়বোৰৰ প্ৰয়োগত ভুল হ'লে পদে সাধনগত যোগ্যতা হেৰুৱায়। যেনে ঃ

| ভুল | শুদ্ধ |
|---|---|
| 'প্ৰাচুৰ্যতা দেখা গৈছে'। | প্ৰাচুৰ্য দেখা গৈছে। |
| 'তাৎপৰ্যতা উপলব্ধি কৰা উচিত'। | তাৎপৰ্য উপলব্ধি কৰা উচিত। |
| 'প্ৰাধান্যতা লাভ কৰিছে'। | প্ৰাধান্য লাভ কৰিছে। |
| 'বাহুল্যতাৰ ভয়ত ইমানতে সামৰিলোঁ'। | বাহুল্যৰ ভয়ত ইমানতে সামৰিলোঁ। |

এইবোৰ তদ্ধিৎ প্ৰত্যয়ৰ সাধনগত ভুল। কৃ-প্ৰত্যয়ৰ ক্ষেত্ৰতো এনেধৰণৰ নানান ভুল হয়। ওপৰৰ উদাহৰণবোৰ অসমৰ প্ৰথিতযশা লিখকৰ পৰা উদ্ধৃত বুলি জানিবা। আজিকালি এনে ভুলৰ প্ৰকোপ বাঢ়িছে। **সেইকাৰণে তোমালোক সদায় সতৰ্ক হ'বাহঁক।**

## ঘ। পদৰ আসত্তি

১৯। আসত্তি শব্দ সংস্কৃতৰ আ-সদ্-তি (ক্তিন্) যোগত সাধিত হৈছে। ইয়াৰ ব্যুৎপত্তিগত অৰ্থ ওচৰতে বহা বা লগালগিকৈ থকা অৱস্থা, অৰ্থাৎ নিকটতা। অৰ্থগত আৰু ৰূপগত যোগ্যতা থকা পদবোৰ বাক্যত যথোপযুক্ত ক্ৰমত যথাসম্ভৱ ওচৰা উচৰিকৈ সজোৱা হয়। পদবোৰৰ এনে অৱস্থানকে পদৰ আসত্তি বোলে।

বাক্যত পদৰ আসত্তি নিৰ্ণয় কৰি তলত দিয়া কথাবোৰ জানিব পাৰি। যেনে,

(১) পদৰ লগত পদৰ সঙ্গতি আৰু সেই সঙ্গতিৰ গাঢ়তা।
(২) সমস্তপদ আৰু খণ্ডবাক্যৰ গঠন।
(৩) গৰ্ভবাক্যৰ গঠন আৰু অৱস্থান। আৰু,
(৪) বাক্যৰ অৰ্থৰ স্পষ্টতা।

Scanned with OKEN Scanner

একে আষাৰে ক'বলৈ গ'লে **আসত্তি নিৰ্ণয়েই প্ৰকাৰান্তৰে বাক্য বিশ্লেষণ বুলি ধৰিব পাৰি।**

আসত্তি নিৰ্ণয়ত **শ্বাসাঘাত** আৰু **সুৰলহৰৰো** ভূমিকা আছে। এইবোৰৰ আলোচনা কিছু ওখ খাপৰ কথা। ইয়াত মাথোন প্ৰয়োজন বিশেষে শ্বাসাঘাতৰ উল্লেখহে কৰা হৈছে। **আমি কথা বতৰা কওঁতে কোনো কোনো শব্দত জোৰ পৰে। এই জোৰকে সাধাৰণ ভাবে শ্বাসাঘাত** বোলে বুলি বুজিবা।

২০। **আসন্ন অঙ্গ।** বাক্যত মাথোন দুটাহে পদ থাকিলে সেই পদ দুটাৰ পৰস্পৰৰ মাজত আসত্তি গাঢ় বুলি সহজে বুজা যায়। যেনে,

**আমি ছাত্ৰ। ল'ৰাবোৰে খেলিছে।**

**তেখেত শিক্ষক। তেওঁ নাই।**

ইয়াত **আমি** পদৰ লগত **ছাত্ৰ** পদৰ, **ল'ৰাবোৰে** পদৰ লগত **খেলিছে** পদৰ, **তেখেত** পদৰ লগত **শিক্ষক** পদৰ, **তেওঁ** পদৰ লগত **নাই** পদৰ আসত্তিৰ কথা জনা যায়। এনে আসত্তিযুক্ত পদবোৰৰ পৰস্পৰক **পৰস্পৰৰ আসন্ন অঙ্গ** বোলে। অৰ্থৰ মিল বা সঙ্গতি অনুসৰি আসন্ন অঙ্গ নিৰ্ণিত হয়। আসন্ন অঙ্গবোৰ লগ হৈ বাক্যত একোটা গোট বা খণ্ড তৈয়াৰ কৰে। অৰ্থাৎ, ওপৰৰ বাক্য কেইটাৰ **আমি** আৰু **ছাত্ৰ** পৰস্পৰে পৰস্পৰৰ আসন্ন অঙ্গ। সেইদৰে, **ল'ৰাবোৰে** আৰু **খেলিছে, তেখেত** আৰু **শিক্ষক, তেওঁ** আৰু **নাই** এই কেইযোৰৰো পদবোৰ পৰস্পৰে পৰস্পৰৰ আসন্ন অঙ্গ।

এইবাৰ, তলৰ বাক্যটোলৈ মন কৰা ঃ

**ল'ৰাবোৰে ফুটবল খেলিছে।**

এই বাক্যত **ফুটবল** আৰু **খেলিছে** পৰস্পৰে আসন্ন অঙ্গ; এতেকে, **ফুটবল খেলিছে** বাক্যটোৰ এটা খণ্ড বা গোট। গোটেই বাক্যটোলৈ মন কৰিলে বুজিবা যে, **ল'ৰাবোৰে** এটা পদ আৰু ইও বাক্যটোৰ এটা খণ্ড, **ফুটবল খেলিছে**— এই খণ্ডটোৰ আসন্ন অঙ্গ হৈছে। এই বাক্যটোৰ **ফুটবল** পদৰ আৰম্ভণিতে শ্বাসাঘাত পৰিছে। বাক্যটোৰ **ল'ৰাবোৰে ফুটবল**— এই পদ দুটা লগ লগালে একো অৰ্থ নোলায়, অৰ্থাৎ, ইহঁতৰ অৰ্থৰ সঙ্গতি নাই। সেয়েহে, এই পদদুটা মিলি বাক্যৰ এটা গোট হ'ব নোৱাৰে; আৰু সেইকাৰণে এই পদদুটাৰ মাজত পোনপটীয়া আসক্তি নাই বুলি বুজিব লাগে। আকৌ চোৱা ঃ

**আমি অষ্টম শ্ৰেণীৰ ছাত্ৰছাত্ৰী।**

এই বাক্যত **ছাত্ৰছাত্ৰী** এটা গোট; **ছাত্ৰ** আৰু **ছাত্ৰী** প্ৰত্যেকেই প্ৰত্যেকৰ একোটাহঁত আসন্ন অঙ্গ; ইয়াৰ **ছাত্ৰ** শব্দত শ্বাসাঘাত পৰে।

সেইদৰে, **অষ্টম শ্ৰেণীৰ** আন এটা গোট; এই পদ দুটাৰ অৰ্থৰ সম্বন্ধ গাঢ়; সেয়েহে পৰস্পৰে পৰস্পৰৰ আসন্ন অঙ্গ; **অষ্টম** শব্দত শ্বাসাঘাত পৰে।



**অষ্টম শ্ৰেণীৰ ছাত্ৰছাত্ৰী**— এই গোটদুটাৰ অৰ্থৰ সঙ্গতি আছে কাৰণে দুয়োটা গোট লগ হৈ এটা খণ্ড হৈছে। এই খণ্ডটোৰ অন্তৰ্গত গোট দুটা পৰস্পৰে পৰস্পৰৰ আসন্ন অঙ্গ। গোটেই বাক্যটোলৈ লক্ষ্য কৰিলে দেখিবা যে **আমি** পদৰ লগত **অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী**— এই দীঘল খণ্ডটো আসন্ন অঙ্গ হৈছে। এই পদবোৰৰ **আমি** আৰু **অষ্টম শ্ৰেণীৰ**, অথবা **আমি** আৰু **ছাত্ৰছাত্ৰী** লগ লাগি একোটাহঁত গোট বা খণ্ড হ'ব নোৱাৰে, কাৰণ, ইহঁতৰ মাজত আসত্তি গাঢ় নহয়।

আসক্তিৰ গাঢ়তা দেখুৱাই তলত দিয়াৰ দৰে উদাহৰণ দিব পাৰি। যেনে,

তেখেত শিক্ষক

ল'ৰাবোৰে ফুটবল খেলিছে

আমি অষ্টম শ্ৰেণীৰ ছাত্ৰছাত্ৰী

২১। **অৰ্থৰ স্পষ্টীকৰণ।** পদৰ আসন্ন অঙ্গ অনুসৰিহে বাক্যৰ অৰ্থ নিৰ্ণিত হয়। তলৰ বাক্যটোলৈ চোৱা ঃ

**গুৱাহাটীত পুৰণি কিতাপৰ দোকান নাই।**

এই বাক্যটোৰ **পুৰণি কিতাপৰ দোকান**— এই পদ তিনিটাৰ আসত্তি সলাই দুটা অৰ্থ উলিয়াব পাৰি।

**পুৰণি** পদত শ্বাসাঘাত পৰিলে **পুৰণিকিতাপৰ** এটা গোট হ'ব; তেতিয়া ইয়াৰ অৰ্থ হ'ব— গুৱাহাটীত **পুৰণিকিতাপৰ** দোকান নাই। অৰ্থাৎ দোকানৰ **কিতাপবোৰ পুৰণি**; তেনে কিতাপ বেচা দোকান গুৱাহাটীত নাই। আসক্তিৰ গাঢ়তা বুজাবলৈ **পুৰণি** আৰু **কিতাপৰ** এই পদ দুটা লগ লগাই এটা পদৰ দৰে লিখা ভাল; যেনে, **পুৰণিকিতাপৰ।** নাইবা, মাজত হাইফেন দি **পুৰণি-কিতাপৰ** বুলি লিখিব পাৰি। তেতিয়া বাক্যটোৰ পদবোৰৰ আসত্তি এনে হ'ব ঃ

**গুৱাহাটীত পুৰণি-কিতাপৰ দোকান নাই।**

এইবাৰ, **কিতাপৰ** পদত জোৰ বা শ্বাসাঘাত পৰিলে **কিতাপৰ-দোকান**— এই পদ দুটাৰ আসত্তি গাঢ় হৈ বাক্যটো এনে হ'ব ঃ

**গুৱাহাটীত পুৰণি কিতাপৰ-দোকান নাই।**

এই বাক্যটোৰ অৰ্থ, দোকানবোৰ কিতাপৰ, এই **দোকানবোৰ** পুৰণি; তেনে পুৰণি বা বহুকলীয়া দোকান গুৱাহাটীত নাই। এই বাক্যটোৰ আসত্তি এনেদৰে দেখুৱাব পাৰি ঃ

**গুৱাহাটীত পুৰণি কিতাপৰ দোকান নাই।**

Scanned with OKEN Scanner

২২। এই প্ৰসঙ্গতে এটা কথা মনত ৰাখিবা ঃ দোকানৰ কিতাপবোৰ পুৰণি হ'লে **পুৰণি কিতাপ** এটা সমাসযুক্ত সমস্ত শব্দ হয়। তেতিয়া এই সমস্ত শব্দটোৰ ষষ্ঠী বিভক্তিত ৰূপ হৈ **পুৰণিকিতাপৰ** এই সমস্ত পদটো হয়। এতেকে, **পুৰণিকিতাপ** পৰস্পৰৰ আসন্ন অঙ্গ। এই আসন্ন অঙ্গ দুটা লগ লাগি এটা খণ্ড হোৱাৰ পিচতহে ই বিভক্তি যুক্ত হৈ **পুৰণি-কিতাপৰ** হয়; অৰ্থাৎ

**পুৰণি-কিতাপ-অৰ**

এই কাৰণতে হাইফেন দি **পুৰণি-কিতাপৰ** অথবা হাইফেন নিদিয়াকৈ ওচৰ চপাই **পুৰণিকিতাপৰ** বুলি লিখিবলৈ ওপৰত কোৱা হৈছে। এইবোৰ কথা পিচলৈ ওখ খাপৰ ব্যাকৰণত পঢ়িবলৈ পাবাহঁক।

২৩। এইবাৰ **অৰ্থৰ স্পষ্টতা** নিৰ্ণয় কৰিবলৈ অন্য এটা বাক্য লোৱা হওক ঃ

**তেতিয়া গুৱাহাটীত লাচিত বৰফুকন আছিল।**

এই পদ সমষ্টিৰো বেলেগ বেলেগ আসত্তি বিচাৰ কৰি দুটা অৰ্থ পাব পাৰি ঃ **লাচিত** পদত শ্বাসাঘাত পৰিলে **লাচিত বৰফুকন** এটা খণ্ড হয়; অৰ্থাৎ **লাচিত** আৰু **বৰফুকন** প্ৰত্যেকেই প্ৰত্যেকৰ আসন্ন অঙ্গ। তেতিয়া, **বৰফুকন** পদে **লাচিতৰ** পদ মৰ্যাদাসূচক উপাধি সূচায়। অৰ্থাৎ, **বৰফুকন** উপাধিধাৰী **লাচিত** বোলা ব্যক্তিজন সেই সময়ত গুৱাহাটীত আছিল। এই বাক্যটোকে তেতিয়া এনেদৰেও ক'ব পৰা যাব ঃ

(১) **লাচিত বৰফুকন তেতিয়া গুৱাহাটীত** আছিল।
(২) **তেতিয়া লাচিত বৰফুকন গুৱাহাটীত** আছিল।
(৩) **গুৱাহাটীত তেতিয়া লাচিত বৰফুকন আছিল।**

এই বাক্য তিনিটাত **তেতিয়া, গুৱাহাটীত** আৰু **লাচিত বৰফুকন** পদৰ স্থানান্তৰ ঘটিছে; অৰ্থৰ কোনো পৰিৱৰ্তন হোৱা নাই। **লাচিত বৰফুকন** একে লগে আছে। ইয়াঁতৰ মাজত অন্য পদ সোমাব নোৱাৰে; সোমালে পদবোৰৰ আসত্তি বেলেগ হৈ বেলেগ অৰ্থ বুজাব।

**বৰফুকন** পদত শ্বাসাঘাত পৰিলে **লাচিত** পদটো **বৰফুকন** পদৰ পৰা আসত্তি মুক্ত হৈ বাক্যটোৰ বেলেগ বেলেগ ঠাইত বহিব পাৰে, অৰ্থৰ বিশেষ পৰিৱৰ্তন নহয়। যেনে ঃ

(১) তেতিয়া **লাচিত** গুৱাহাটীত **বৰফুকন** আছিল।
(২) **লাচিত** তেতিয়া গুৱাহাটীত **বৰফুকন** আছিল।
(৩) গুৱাহাটীত **লাচিত** তেতিয়া **বৰফুকন** আছিল।
(৪) তেতিয়া গুৱাহাটীত **বৰফুকন আছিল লাচিত।**
(৫) তেতিয়া গুৱাহাটীত **বৰফুকন লাচিত** আছিল।

ইয়াৰ প্ৰথম চাৰিটা বাক্যত **বৰফুকন** পদত শ্বাসাঘাত পৰা কাৰণে **বৰফুকন** আৰু **আছিল** পদৰ মাজত অন্য পদ সোমাব পৰা নাই; সোমালে ভুল হ'ব। পঞ্চম বাক্যত, **বৰফুকন** আৰু **আছিল** পদৰ মাজত **লাচিত** পদ সোমালত শ্বাসাঘাতো **বৰফুকন** পদৰ পৰা **লাচিত** পদলৈ গৈছে। অৰ্থৰো ঈষৎ সলনি ঘটি **লাচিত** পদত গুৰুত্ব দিয়া বুলি বুজাইছে।



২৪। বাক্যত পদৰ স্থানান্তৰ হ'লে হয় অৰ্থৰ সলনি ঘটে, নহয় বাক্য নিৰৰ্থ... সেইকাৰণে বাক্যত আসন্ন অঙ্গবোৰ যথাসম্ভৱ ওচৰা উচৰিকৈ লিখিব লাগে। উদাহৰণ স্বৰূপে ঃ

ভুল ঃ প্ৰাক্তন অসম সাহিত্যসভাৰ সভাপতি।
শুদ্ধ ঃ অসম সাহিত্যসভাৰ প্ৰাক্তন সভাপতি।
ভুল ঃ প্ৰয়াত ভাৰতৰ প্ৰধান মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰী।
শুদ্ধ ঃ ভাৰতৰ ভূতপূৰ্ব **প্ৰধানমন্ত্ৰী প্ৰয়াত লালবাহাদুৰ** শাস্ত্ৰী।

২৫। কেতিয়াবা দুটাতকৈ অধিক শব্দ বা পদো পৰস্পৰে আসন্ন অঙ্গ হ'ব পাৰে। যেনে,

**ভাষা-সাহিত্য-সংস্কৃতি;**
**ভাষা-সাহিত্য-সমাজ-সংস্কৃতি;**
**জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায়-নিৰ্বিশেষে;** ইত্যাদি।

এইবোৰত হাইফেন যুক্ত ৰূপবোৰ পৰস্পৰে আসন্ন অঙ্গ; ইয়াঁতৰ পৰ্যায়ক্ৰম নাই। অৰ্থাৎ,

ভুল ঃ ভাষা-সাহিত্য সংস্কৃতি
শুদ্ধ ঃ **ভাষা-সাহিত্য-সংস্কৃতি**
**ভাষা-সাহিত্য-সংস্কৃতি**

ভুল ঃ জাতি-বৰ্ণ ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে
শুদ্ধ ঃ জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় **নিৰ্বিশেষে**। অথবা,
**জাতি-বৰ্ণ, ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে।**

**ভাষা-সাহিত্য-সংস্কৃতিৰ সাধক।**

ওপৰৰ বাক্যটোত প্ৰথম পৰ্যায়ত **ভাষা-সাহিত্য-সংস্কৃতিৰ** প্ৰত্যেকটো অঙ্গৰে আসত্তি সুদৃঢ়। দ্বিতীয় পৰ্যায়ত **সাধক**— এই অঙ্গৰ লগত আসত্তি সুদৃঢ় নহয়। সেইকাৰণে, **সাধক**-অৰ আসন্ন অঙ্গ ৰূপে অন্য পদ সোমাব পাৰে। যেনে ঃ

**ভাষা-সাহিত্য-সংস্কৃতিৰ একনিষ্ঠ সাধক।** অথবা,
**ভাষা-সাহিত্য-সংস্কৃতিৰ একনিষ্ঠ নীৰৱ সাধক।**

এনেদৰে পদৰ আসন্ন অঙ্গৰ বিচাৰ কৰি অৰ্থৰ স্পষ্টতা নিৰ্ণয় কৰিব পাৰি।

Scanned with OKEN Scanner

৩২। ক্রিয়াবিশেষণবাচক খণ্ডবাক্য। ... সন্ত্রস্ত হৈ, জয়জয় ... স্থানীয় খণ্ডবাক্য।

এনেধৰণৰ বাৰেপতি, ঘনেঘনে, লহপহকৈ বাঢ়ি অহা, সন্ত্রস্ত হৈ, জয়জয় ... আনন্দ মনেৰে, হাঁহি মাতি নাচি বাগি আদি ক্রিয়াবিশেষণীয় খণ্ডবাক্য।

কৰণ, নিমিত্তার্থক, অপাদান আৰু অধিকৰণবাচক পদসমষ্টিৰে ক্রিয়াবিশেষণবাচক খণ্ডবাক্য হ'ব পাৰে।

৩৩। অব্যয়বাচক খণ্ডবাক্য। খণ্ডবাক্যত কোনো অব্যয়পদ প্রধান আসন্ন অঙ্গৰূপে থাকিলে তাকে অব্যয়বাচক খণ্ডবাক্য বোলে। যেনে ঃ

সাইলাখ ৰামৰ নিচিনা;

যেন কুকুৰ তেন টাঙোন;

প্রতি দেওবাৰে; ইত্যাদি।

## চ। বাক্যৰ প্রকাৰ

৩৪। **সৰল বাক্য**। বাক্য কাক বোলে তোমালোকে প্রাকৃতি প্রকৰণত পঢ়ি আহিছা। মাত্র এটা বা দুটা পদেৰেও একোটা চুটিবাক্য হ'ব পাৰে; নাইবা, বহুতো পদ আৰু খণ্ডবাক্য লগ লাগিও একোটা দীঘল বাক্য হ'ব পাৰে বুলি পঢ়িছিলা।

কর্তা আৰু ক্রিয়াপদ যুক্ত চুটিবাক্যও পূর্ণবাক্য হ'ব পাৰে। যেনে,

মানুহ মৰে। আমি ভাত খাওঁ।

তুমি কাইলৈ ক'লৈ যাবা?

এই কেইটা পূর্ণবাক্যত ক্রিয়াপদ ব্যক্ত হৈ আছে। সেইদৰে,

আজি দেওবাৰ।

'সোণৰ দ্রাৱক সুৱগা, কামৰ দ্রাৱক অভ্যাস।'

'মিঠা মাত ব্যৱহাৰ প্রণালীৰ ঘাই মন্ত্র।'

'নম্রতা সজ ব্যৱহাৰৰ অনুপান।'

'খুচুৰীয়া খৰচৰ চোৰাং গতি।' (সত্যনাথ বৰা)

'সকলো যেন গাম্ভীর্য আৰু ৰহস্যৰে আচ্ছন্ন।' (ডঃ কাকতি)

এই বাক্যবোৰত ক্রিয়াপদ ব্যক্ত হৈ থকা নাই যদিও প্রত্যেকটোৱেই একোটা পূর্ণবাক্য। এনে বাক্যক সৰল বাক্য বোলে।

৩৫। দীঘল সৰল বাক্যৰ উদাহৰণ চোৱা ঃ

(১) 'পুৰণি কালত উশীনৰ নামে এজন ৰজা আছিল।

(২) তেওঁ বৰ শিৱভক্ত আছিল আৰু শিৱৰ বৰত বৰ বিক্রমশালী হৈ উঠিল।' (ড° কাকতি)

ইয়াৰ প্রথম বাক্যত কর্তাপদ এজন ৰজা, আৰু ক্রিয়াপদ আছিল; অর্থাৎ কর্তা আৰু ক্রিয়াপদ এটাকৈ পোৱা গৈছে।

Scanned with OKEN Scanner

দ্বিতীয় বাক্যত কৰ্তাপদ **তেওঁ**। এই কৰ্তাপদৰ ক্ৰিয়া পদ দুটা **আছিল** আৰু **হৈ উঠিল**। অৰ্থাৎ সৰল বাক্যত এটা কৰ্তাপদৰ ক্ৰিয়াপদ একাধিক থাকিব পাৰে। এইবাৰ, ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'অঘোণী বাই'-ৰ পৰা উদ্ধৃত তলৰ বাক্যটো পৰীক্ষা কৰা ঃ

**'ডাক্তৰখানাৰ চকীদাৰৰ হতুৱাই কমলাই গা-ধোৱা ঘৰত পানী থোৱালে; ধুতি-গামোচা দিয়ালে; কেনভাচৰ আৰামী চকীখন ভিতৰ চোতালত পাতিলে; বিচনীখন আৰু পানী সলাই গুৰগুৰিটো কাষত থ'লে; চাহৰ নিমিত্তে জুইৰ ওপৰত পানীৰ টেকেলীটো তুলি দিলে।'**

এই গোটেই বাক্যটোত **থোৱালে, দিয়ালে, পাতিলে, থ'লে** আৰু **তুলি দিলে**— এই পাঁচোটা ক্ৰিয়াপদ আছে। ইহঁত গোটেইকেইটাৰে কৰ্তাপদ মাত্ৰ এটা, **কমলাই**। এইটোও এটা সৰল বাক্যৰ উদাহৰণ।

৩৬। এটা কৰ্তাপদৰ ক্ৰিয়াপদ একাধিক হ'লেও (যেনে, ওপৰৰ বাক্যটো) যেনেকৈ বাক্য সৰল হয়, তেনেকৈয়ে এটা মাথোন ক্ৰিয়াপদৰ একাধিক কৰ্তাপদ হ'লেও বাক্য সৰল হয়। যেনে,

**শ্ৰীকৃষ্ণই পাঞ্চজন্য, কুন্তীপুত্ৰ যুধিষ্ঠিৰে অনন্ত বিজয়, ভীমকৰ্মা বৃকোদৰে পৌণ্ড্ৰ, ধনঞ্জয়ে দেৱদত্ত, নকুলে সুঘোষ আৰু সহদেৱে মণিপুষ্পক নামৰ শঙ্খ বজালে।**

এই বাক্যৰ ক্ৰিয়াপদ মাথোন এটা, **বজালে**; কিন্তু কৰ্তাপদ ছয়টা। এইটোও এটা সৰল বাক্য। এই সৰল বাক্যটোৰ প্ৰত্যেকটো কৰ্তাৰ লগত সমাপিকা ক্ৰিয়াপদটো যোগ দিলে ছয়টা সৰল বাক্য পোৱা যাব। যেনে,

(১) **শ্ৰীকৃষ্ণই পাঞ্চজন্য শঙ্খ বজালে।**
(২) **কুন্তীপুত্ৰ যুধিষ্ঠিৰে অনন্তবিজয় শঙ্খ বজালে।**
(৩) **ভীমকৰ্মা বৃকোদৰে পৌণ্ড্ৰ শঙ্খ বজালে।**
(৪) **ধনঞ্জয়ে দেৱদত্ত শঙ্খ বজালে।**
(৫) **নকুলে সুঘোষ শঙ্খ বজালে।**
(৬) **সহদেৱে মণিপুষ্পক শঙ্খ বজালে।**

এনেদৰে ছয়টা বাক্য সজাব পাৰি যদিও **বাক্যৰ গাঁথনিৰ বিচাৰত** ওপৰৰ মূল বাক্যটো মাথোন এটাহে সৰল বাক্য বুলি বুজিবাহঁক।

৩৭। **যৌগিক বাক্য।** দুটা বা ততোধিক পূৰ্ণবাক্য **আৰু, নাইবা, অথবা, কিন্তু, যদি, যদিও, কাৰণে, অথচ, তেনেহ'লে** আদি অব্যয় পদৰ দ্বাৰা সংযুক্ত হৈ এটা দীঘল বাক্যৰ সৃষ্টি হ'লে তেনে বাক্যক **যৌগিক বাক্য** বোলে। যেনে,

(ক) **'এই দুটি পিতৃ-মাতৃহীন শিশুক ফুকন আৰু ফুকননীয়ে তেওঁবিলাকৰ সমুদায় বস্তুৰে সৈতে ঘৰলৈ আনিলে আৰু জয়মতী নামে এটি বিধৱা ব্ৰাহ্মণী আৰু কণিকী নামে এজনী দাসী সেই দুই শিশুৰ** ... (বৰুৱাৰ ৰচিত আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ)

এই প্ৰধান বাক্যটোত দুটা স্বতন্ত্ৰ বাক্য আছে ঃ এটা,
**এই দুটি পিতৃ-মাতৃহীন..........ঘৰলৈ আনিলে।** আনটো,
**(আৰু) জয়মতী নামে........দুই শিশুৰ লগত আহিল।**

এই স্বতন্ত্ৰ বাক্য দুটাক আৰু অব্যয় পদে সংযুক্ত কৰিছে। এতেকে ই এটা যৌগিক বাক্য।

কেতিয়াবা কোনো অব্যয় পদৰ দ্বাৰা সংযুক্ত নোহোৱাকৈও দুটা বা ততোধিক স্বতন্ত্ৰ বাক্য লগ লাগি যৌগিক বাক্য হ'ব পাৰে। যেনে,

(খ) **ৰাম আহিল, শ্যাম নাহিল।**

ইয়াত **ৰাম আহিল** আৰু **শ্যাম নাহিল** দুটা স্বতন্ত্ৰ সৰল বাক্য লগ লাগি এটা যৌগিক বাক্য হৈছে; ইহঁত কোনো পদৰ দ্বাৰা সংযুক্ত হোৱা নাই। সেইদৰে,

(গ) **মাধৱ আহিলে আহিব, মোৰ চিন্তা কৰিব লগা একো নাই।**

ইয়াতো সংযোজক কোনো অব্যয় নাই। কোনো পদে সংযুক্ত নকৰা স্বতন্ত্ৰ বাক্যক কমা চিনেৰে (,) লগ লগোৱা হয়।

৩৮। **গৰ্ভবাক্য।** এটা প্ৰধান বাক্যৰ অন্তৰ্গত পূৰ্ণবাক্যক **গৰ্ভবাক্য (Clause)** বোলে। ওপৰৰ আলোচনাত পোৱা (ক), (খ) আৰু (গ) বাক্যৰ অন্তৰ্গত পূৰ্ণবাক্যবোৰ প্ৰধান বাক্য কেইটাৰ গৰ্ভবাক্য। অৰ্থাৎ, (ক)-বাক্যটোৰ

**এই দুটি পিতৃমাতৃহীন শিশুক........ঘৰলৈ আনিলে,** আৰু **জয়মতী নামে এটি.......লগত আহিল,**— এই দুটা গৰ্ভবাক্য।

সেইদৰে,

**ৰাম আহিল,** আৰু **শ্যাম নাহিল**— এই দুটা (খ)-বাক্যটোৰ গৰ্ভবাক্য।

এনেদৰেই,

**মাধৱ আহিলে আহিব,** আৰু **মোৰ চিন্তা কৰিব লগা একো নাই**— এই দুটা কমা চিনেৰে সংযুক্ত পূৰ্ণ বাক্যও (গ)-বাক্যৰ একোটাহঁত গৰ্ভবাক্য।

৩৯। **সম গৰ্ভবাক্য।** যৌগিক বাক্যৰ অন্তৰ্গত প্ৰত্যেকটো বাক্যকে **সম গৰ্ভবাক্য** (Coordinate Clause) বোলে। ওপৰৰ ছেদত আলোচিত গৰ্ভবাক্যবোৰ সম গৰ্ভবাক্য। অৰ্থাৎ, ইহঁত কোনো বাক্যৰ অধীন নহয়; **যৌগিক বাক্যত ইহঁতৰ প্ৰত্যেকৰে মৰ্যাদা সমান।**

৪০। **অধীন গৰ্ভবাক্য।** কেতিয়াবা একোটা দীঘল বাক্যত কৰ্তা, কৰ্ম আৰু ক্ৰিয়াপদৰ সম্প্ৰসাৰক ৰূপে পূৰ্ণবাক্যও ব্যৱহাৰ হ'ব পাৰে। এনে পূৰ্ণবাক্য কৰ্তা আৰু কৰ্মপদৰ পূৰকো হ'ব পাৰে। তেনে গৰ্ভবাক্যক প্ৰধান বাক্যৰ **অধীন গৰ্ভবাক্য** (Subordinate Clause) বোলে। যেনে,

Scanned with OKEN Scanner

**তুমি আজি আহিবা বুলি মই জানিছিলোঁ।**

ইয়াত, **মই জানিছিলোঁ** এটা পূৰ্ণ বাক্য। **তুমি আজি আহিবা বুলি**— এইটোও এটা পূৰ্ণ বাক্য। এই দুয়োটা পূৰ্ণ বাক্য লগ লাগি প্ৰধান বাক্যটো হৈছে। **তুমি আজি আহিবা বুলি**— এই বাক্যটো **জানিছিলোঁ** ক্ৰিয়াপদৰ কৰ্ম হৈছে। এতেকে,

**তুমি আজি আহিবা বুলি** বাক্যটো এটা অধীন গৰ্ভবাক্য; ইয়াৰ বিশেষ্যৰ দৰে প্ৰয়োগ হৈছে। অৰ্থাৎ, **মই জানিছিলোঁ**-হে প্ৰধান বাক্য।

এইবাৰ চোৱা ঃ

**'আনন্দৰাম ফুকন যেতিয়া সৰু আছিল তেতিয়া যজ্ঞৰাম ফুকনে দুইও ঘৰৰ কাৰবাৰ কৰিছিল।'** (গুণাভিৰাম বৰুৱা)

এই বাক্যত, **তেতিয়া যজ্ঞৰাম ফুকনে দুইও ঘৰৰ কাৰবাৰ কৰিছিল** প্ৰধান বাক্য। আৰু, **আনন্দৰাম ফুকন যেতিয়া সৰু আছিল** অধীন গৰ্ভবাক্য, **কাৰবাৰ কৰিছিল**— এই ক্ৰিয়াপদৰ সম্প্ৰসাৰক, ক্ৰিয়াবিশেষণৰ দৰে প্ৰয়োগ হৈছে।

৪১। **জটিল বাক্য।** অধীন গৰ্ভবাক্যযুক্ত বাক্যক জটিল বাক্য (**Complex sentense**) বোলে।

জটিল বাক্যৰ দুটামান উদাহৰণ চোৱা ঃ

(ক) **'কিহৰ পৰা মানুহৰ কৃপণালি জন্মে তাক ঠাৰৰকৈ কোৱা টান।'** (সত্যনাথ বৰা)

এই বাক্যত **তাক ঠাৰৰকৈ কোৱা টান** প্ৰধান বাক্য; **কিহৰ পৰা মানুহৰ কৃপণালি জন্মে** অধীন গৰ্ভবাক্য, **তাক** কৰ্মপদৰ পূৰক। তাক পদটোৰ উল্লেখ নহ'লে এই অধীন গৰ্ভবাক্যটোৱেই প্ৰধান বাক্যটোৰ কৰ্ম হ'লহেঁতেন। তেতিয়া বাক্যটো হ'লহেঁতেন,

**কিহৰ পৰা মানুহৰ কৃপণালি জন্মে ঠাৰৰকৈ কোৱা টান।**

(খ) **'কৃপণবিলাকৰ জীৱন বৃত্তান্ত ভালকৈ গমি চালে দেখা যায় যে সিহঁতৰ কিছুমানে ধন উভৈনদী কৰি পৃথিৱীত এটা খ্যাতি ৰাখিবৰ মনেৰে কৃপণালি কৰে।'** (সত্যনাথ বৰা)

এই বাক্যটোৰ **কৃপণবিলাকৰ জীৱন.....দেখা যায় (যে)**, প্ৰধান বাক্য। ইয়াৰ পিচৰ অংশ, অৰ্থাৎ **সিহঁতৰ কিছুমানে ....... কৃপণালি কৰে**— অধীন গৰ্ভবাক্য; ই প্ৰধান বাক্যৰ **দেখা যায়**— এই সকৰ্মক ক্ৰিয়াপদৰ কৰ্মৰূপে প্ৰয়োগ হৈছে; আৰু, **যে**— এই অব্যয় পদে অধীন গৰ্ভবাক্যটো প্ৰধান বাক্যৰ অন্তৰ্ভুক্ত কৰিছে। অব্যয়ৰ প্ৰয়োগ নকৰাকৈও তাৰ ঠাইত কমা (,) নাইবা কমা আৰু ডেচ (,—) দি অধীন গৰ্ভবাক্য সংযুক্ত কৰিব পাৰি।

জটিল বাক্যৰ জটিলতাৰ এটা উদাহৰণলৈ লক্ষ্য কৰা ঃ

**'বিদুষী হেলইছাই বিয়াৰ প্ৰস্তাৱত আপত্তি তুলিলে— প্ৰথমতঃ দয়ায়েকৰ স্বভাৱ তেওঁ ভালকৈ জানে। বিয়াৰ চেলু লৈ দদায়েকে আবেলাৰ্ডৰ ওপৰত**



**প্ৰতিশোধ ল'বলৈ চেষ্টা কৰিব। দ্বিতীয়তঃ বিয়াৰ পৰা তেওঁৰ যি ভৱিষ্যৎ উন্নতিৰ ভেটা হ'ব তাত, তেওঁ নিজকেই গৌৰৱান্বিত বুলি ভাবিব কেনেকৈ?'**

(ড° বাণীকান্ত কাকতি)

এই কথাখিনি আচলতে এটাহে দীঘল জটিল বাক্য, যদিও মাজতে দুডাল দাঁৰিৰ ব্যৱহাৰ হৈছে।

**বিদুষী হেলইছাই.........আপত্তি তুলিলে**— এইটো প্ৰধান বাক্য।

ইয়াৰ পিচৰ,

**প্ৰথমতঃ দদায়েকৰ ............চেষ্টা কৰিব, আৰু দ্বিতীয়তঃ বিয়াৰ পৰা ...........**

**বুলি ভাবিব কেনেকৈ?**

এই গোটেই দীঘল অংশটো প্ৰধান বাক্যৰ অন্তৰ্গত কৰ্ম। ইয়াক তলত দেখুওৱাৰ দৰে নতুনকৈ আকৌ (ক)-আৰু (খ)-ভাগত ভগালে প্ৰত্যেকটো ভাগতে দুটাকৈ মুঠ চাৰিটা গৰ্ভবাক্য পোৱা যায়।

যেনে ঃ

(ক) **প্ৰথমত ঃ [১]দদায়েকৰ স্বভাৱ তেওঁ ভালকৈ জানে, [২]বিয়াৰ চেলু লৈ দদায়েকে আবেলাৰ্ডৰ ওপৰত প্ৰতিশোধ ল'বলৈ চেষ্টা কৰিব;** আৰু,

(খ) **দ্বিতীয়ত ঃ [৩]বিয়াৰ পৰা তেওঁৰ যি ভৱিষ্যৎ উন্নতিৰ ভেটা হ'ব তাত, [৪]তেওঁ নিজকেই গৌৰৱান্বিত বুলি ভাবিব কেনেকৈ?**

ইয়াৰ (ক)-অংশৰ [১]গৰ্ভবাক্যটো মুখ্য গৰ্ভবাক্য, আৰু [২]গৰ্ভবাক্যটো মুখ্য গৰ্ভবাক্যৰ অন্তৰ্গত জানে— এই সকৰ্মক ক্ৰিয়াপদৰ কৰ্মস্থানীয় গৰ্ভ গৰ্ভবাক্য।

(খ) —অংশত [৩]গৰ্ভবাক্যটোৰ অন্তৰ্গত এটা গৰ্ভ গৰ্ভবাক্য; ই মুখ্য গৰ্ভবাক্যৰ সম্প্ৰসাৰক হৈছে।

প্ৰধান বাক্যৰ অন্তৰ্গত (ক) আৰু (খ) অংশ প্ৰত্যেকেই দুটা দুটাকৈ গৰ্ভ গৰ্ভবাক্যযুক্ত একোটাহঁত জটিল গৰ্ভবাক্য। আনহাতে, (ক) আৰু (খ) দুয়োটা অংশ মিলি দাঁৰিৰে সংযুক্ত (আচলতে ছেমি কোলনেৰে (ঃ) নাইবা **আৰু** অব্যয়েৰেহে সংযুক্ত হ'ব লাগিছিল) এটা মাথোন যৌগিক জটিল গৰ্ভবাক্য হৈছে। ই প্ৰধান বাক্যটোৰ **আপত্তি তুলিলে**— এই সকৰ্মক ধাতুৰ কৰ্ম স্থানীয় গৰ্ভবাক্য হৈছে।

ওপৰৰ আলোচনাৰ পৰা তোমালোকে জানিলা যে একোটা জটিল বাক্যৰ অন্তৰ্গত একাধিক গৰ্ভবাক্য থাকিব পাৰে। এই গৰ্ভবাক্যতো এটা বা ততোধিক গৰ্ভ গৰ্ভবাক্য অন্তৰ্ভুক্ত হ'ব পাৰে। সেইদৰে, গৰ্ভবাক্য বা গৰ্ভ গৰ্ভবাক্যও জটিল বা যৌগিক হ'ব পাৰে। এনেদৰেই বাক্য কেতিয়াবা বহু দীঘল কৰিব পাৰি।

৪২। **মিশ্ৰ বাক্য।** কেতিয়াবা এটা প্ৰধান বাক্যত যৌগিক বাক্য আৰু জটিল বাক্য মিশ্ৰিত হৈ থাকিব পাৰে। যেনে,

Scanned with OKEN Scanner